**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-06-2025
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*

———————————-

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ্‌ নিৰ্গমন সন্দৰ্ভত কালি লোক সেৱা ভৱনত নিগমৰ অধ্যক্ষ অৰুণ কুমাৰ সিঙৰ সৈতে এখন গুৰুত্ব বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে গেছ্‌ নিৰ্গমনৰ ঘটনাটো অতি চিন্তাৰ বিষয় বুলি উল্লেখ কৰে। তেওঁ পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ বাবে ৰাজ্য চৰকাৰে সকলো সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰে। ড০ শৰ্মাই জনসাধাৰণৰ সুৰক্ষাৰ দিশটো নিশ্চিত কৰাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অধ্যক্ষগৰাকীক আহ্বান জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই এই গেছ্‌ নিৰ্গমন সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্‌ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ বাবে অ' এন জি চিক যুদ্ধকালীন তৎপৰতাৰে গেছ্‌ নিৰ্গমন নিয়ন্ত্ৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰাৰ নিৰ্দেশ দিবলৈ পত্ৰখনৰ জৰিয়তে অনুৰোধ জনাইছে। তেওঁ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে অ' এন জি চিয়ে অধিক সক্ৰিয়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ৰাজ্য চৰকাৰে ৰীগৰ কাষৰীয়া অঞ্চলৰ ৩০০ৰো অধিক লোকক স্থানান্তৰিত কৰিছে আৰু তেওঁলোকক সকলোধৰণৰ সাহায্য আগবঢ়াইছে বুলি তেওঁ প্ৰকাশ কৰে।

তেল আৰু প্ৰাকৃতিক গেছ্‌ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ্‌ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই।

000000

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। পশু পালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কালি পৰ্যন্ত বিভিন্ন বিভাগত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

000000

চৰকাৰে অহা ১৫ আগষ্টৰ পৰা ৩ হাজাৰ টকা মূল্যত ফাষ্টেগ আধাৰিত বাৰ্ষিক অনুমতি-পত্ৰ প্ৰৱৰ্তন কৰিব। ইয়াৰ ফলত সমগ্ৰ দেশৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে সুগম আৰু কম খৰচী যাত্ৰা সম্ভৱ হৈ উঠিব। এই অনুমতি-পত্ৰ সক্ৰিয় হোৱা দিনৰ পৰা এবছৰ অথবা সৰ্বাধিক ২০০ বাৰ যাত্ৰাৰ বাবে বৈধ হ'ব। এই ব্যৱস্থাৰ ভিত্তিত ব্যক্তিগত যান-বাহনৰ গৰাকীয়ে নিজৰ বাহনৰ বাবে ফাষ্টেগ ভিত্তিত ৩ হাজাৰ টকীয়া বাৰ্ষিক পাছ উলিয়াই ল'ব পাৰিব। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি এক্সযোগে এই কথা প্ৰকাশ কৰিছে। কাৰ, জীপ আৰু ভেনৰ দৰে অব্যৱসায়িক ব্যক্তিগত বাহনৰ বাবে এই অনুমতি-পত্ৰ বিশেষভাৱে কাৰ্যকৰী হ'ব।

০০০০০০

সাহিত্য একাডেমীৰ ২০২৫ বৰ্ষৰ যুৱ সাহিত্য বঁটা লাভ কৰা শিৱসাগৰ জিলাৰ দিখৌমুখৰ গুৱালগাঁৱৰ বাসিন্দা সুপ্ৰকাশ ভূঞাই ৰাজ্যখনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। **কুঁচিয়ানামা** শীৰ্ষক চুটি গল্প সংকলনৰ বাবে সন্মান লাভ কৰা ভূঞাই ২০০৮ চনৰ পৰা অসমৰ বিভিন্ন প্ৰতিষ্ঠিত আলোচনীত নিয়মীয়াভাৱে লিখি আহিছে। বৃত্তিত এগৰাকী শিক্ষক সুপ্ৰকাশ ভূঞাই বৰ্তমান দিখৌমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

০০০০০০

দেশৰ নিৰ্বাচন আয়োগে সমগ্ৰ দেশতে নিৰ্বাচনী ব্যৱস্থাৰ সু-পৰিচালনাৰ বাবে ২৩টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নিৰ্দেশমৰ্মে কালি দিছপুৰৰ ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সন্মিলন কক্ষত আয়োজিত এটা বিশেষ অনুষ্ঠানত নিৰ্বাচন আয়োগৰ যুটীয়া সঞ্চালক অনুজ চন্দক আৰু সহকাৰী সঞ্চালক অপূৰ্ব কুমাৰে এই নতুন পদক্ষেপসমূহৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। এই অনুসৰি এতিয়াৰে পৰা সকলোবোৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাসকলৰ মোবাইল ফোন ৰখাৰ ব্যৱস্থা থাকিব। কোনো এটা ভোটগ্ৰহণ কেন্দ্ৰতে ভোটদাতাৰ সংখ্যা এহেজাৰ ২০০তকৈ অধিক নহ'ব। মৃত ভোটদাতাৰ তথ্য ভাৰতৰ মহাপঞ্জীয়কৰ তথ্য ভাণ্ডাৰৰ সৈতে যুক্ত কৰি ৰিজাই চোৱা হ'ব। তদুপৰি মহানগৰসমূহৰ বহুমহলীয়া আৱাসিক অঞ্চলসমূহতো ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াৰ লগতে ই চি আই নেট নামৰ ৱেবছাইট আৰু এপত সকলো তথ্য একত্ৰিত কৰাৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০

সমাপ্ত